Total No. of Printed Pages—3

**5 SEM TDC ASM M 1**

**2018**

( November )

ASSAMESE

( Major )

Course : 501

( সাহিত্যতত্ত্ব আৰু সমালোচনা )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) নাটকৰ সংজ্ঞা দাঙি ধৰি ইয়াৰ উপাদানবোৰৰ চমু পৰিচয় আগবঢ়োৱাঁ। ৮+৮=১৬

অথবা

(খ) উপন্যাস আৰু চুটিগল্পৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ নিৰ্ণয় কৰি এটি আলোচনা যুগুত কৰাঁ। ১৬

২। ঐতিহাসিক *অথবা* বিশ্লেষণাত্মক সমালোচনা পদ্ধতিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰাঁ। ১৪

৩। (ক) 'শব্দশক্তি' কাক বোলে? ই কেই প্ৰকাৰৰ? প্ৰত্যেকৰে উদাহৰণসহ চমু পৰিচয় আগবঢ়োৱাঁ। ২+৩+৯=১৪

*অথবা*

(খ) ৰস কাক বোলে? সাহিত্যত ৰসৰ প্ৰয়োজনীয়তাৰ বিষয়ে এটি টোকা যুগুত কৰাঁ। ৪+১০=১৪

৪। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৭×২=১৪

(ক) অনুপ্ৰাস

(খ) উপমা

(গ) অতিশয়োক্তি

(ঘ) ৰূপক

৫। অসমীয়া ছন্দৰীতিৰ যি কোনো এটি ধাৰাৰ বিষয়ে উদাহৰণসহ আলোচনা আগবঢ়োৱাঁ। ১৪

৬। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) নাটকৰ ত্ৰি-ঐক্যৰ যি কোনো এটাৰ নাম লিখাঁ।

(খ) "কবিতা হ'ল স্মৰণীয় বাক্য।" উক্তিষাৰ কাৰ?

(গ) ছনেটত কেইটা শাৰী থাকে?

(ঘ) 'অসমীয়া কবিতাৰ ছন্দ' গ্ৰন্থখনৰ লেখক কোন?

(ঙ) অলংকাৰ শাস্ত্ৰৰ প্ৰথম আচাৰ্যজনৰ নাম কি ?

(চ) "ৰীতিৰাত্মা কাব্যস্য।" কাৰ উক্তি ?

(ছ) দৃশ্যকাব্য বুলি কোনটো সাহিত্যৰূপক কোৱা হয় ?

(জ) 'পদুমৰ পাহিৰ দৰে চকু'—ইয়াত উপমাবাচক শব্দ কোনটো ?

★★★

Total No. of Printed Pages—3

**5 SEM TDC ASM M 2**

**2018**

( November )

ASSAMESE

( Major )

Course : 502

( অসমীয়া নাটক )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) অংকীয়া নাট ৰচনাৰ পূৰ্বে অসমত প্ৰচলিত লোকনাট্যধৰ্মী এটি অনুষ্ঠানৰ নাম লিখাঁ।

(খ) শংকৰদেৱৰ দ্বাৰা ৰচিত নাটৰ সংখ্যা কিমান?

(গ) 'ৰূপালীম' নাটকৰ কাহিনীৰ লগত সাদৃশ্য থকা বুলি কোৱা মেটাৰ্‌লিংকৰ নাটকখনৰ নাম লিখাঁ।

(ঘ) 'গাঁওবুঢ়া' নাটকৰ নামভূমিকাৰ চৰিত্ৰটোৰ নাম কি?

(ঙ) "... শক্তিৰ অধিকাৰ! এৰা শক্তিৰ অধিকাৰ! বলীৰেই অখণ্ড প্ৰতাপ ..." সংলাপটি কাৰ?

(চ) 'এটা চোলাৰ কাহিনী' নাটকখন কোন শ্ৰেণীৰ নাটক?

(ছ) 'এটা চোলাৰ কাহিনী' নাটকত তৰুণীগৰাকীয়ে কিহৰ আৱৰণৰ বাবে চোলাটো চিলাবলৈ দিছিল?

(জ) 'অসমীয়া নাট্যসাহিত্য' গ্ৰন্থখনৰ লেখকজনৰ নাম লিখাঁ।

২। (ক) অসমীয়া নাট্যসাহিত্যৰ বিকাশ সম্পৰ্কে এটি সংক্ষিপ্ত ইতিহাস দাঙি ধৰাঁ। ১২

*অথবা*

(খ) অসমীয়া নাট্যসাহিত্যৰ ইতিহাসত বুৰঞ্জীমূলক নাটকসমূহৰ স্থান এই শীৰ্ষক এটি টোকা লিখাঁ। ১২

৩। (ক) অংকীয়া নাটৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি 'ৰামবিজয়' নাটত অংকীয়া নাটৰ লক্ষণসমূহ কিদৰে প্ৰতিফলিত হৈছে, এটি আলচ যুগুত কৰাঁ। ৬+৭=১৩

*অথবা*

(খ) 'ৰামবিজয়' নাটৰ মাজেদি প্ৰকাশ ঘটা ৰসৰ বিষয়ে এটি বিশ্লেষণ আগবঢ়োৱাঁ। ১৩

৪। (ক) উদ্দেশ্যধৰ্মী নাটক হিচাপে 'গাঁওবুঢ়া' নাটকৰ এটি আলোচনা যুগুত কৰাঁ। ১৪

অথবা

(খ) 'গাঁওবুঢ়া' নাটকৰ চৰিত্ৰাঙ্কন সম্পৰ্কে এটি বিশ্লেষণাত্মক টোকা যুগুত কৰাঁ। ১৪

৫। (ক) "ৰূপালীম নাটকৰ কাহিনী যিদৰে আঁটিল, চৰিত্ৰ সেইদৰে বিভিন্ন আৰু বিচিত্ৰ মানৱীয় অনুভূতিৰে বৈচিত্ৰ্যময় আৰু গতিশীল।" কথাষাৰৰ আঁত ধৰি ৰূপালীম আৰু ইতিভেন চৰিত্ৰ দুটাৰ বিশ্লেষণ আগবঢ়োৱাঁ। ৭+৭=১৪

অথবা

(খ) 'ৰূপালীম' নাটকৰ নাটকীয় সংঘাত সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ১৪

৬। (ক) আলি হাইদৰৰ নাটকৰ সাধাৰণ বৈশিষ্ট্যসমূহ উল্লেখ কৰি 'এটা চোলাৰ কাহিনী' নাটকৰ এটি বিশ্লেষণ দাঙি ধৰাঁ। ৬+৭=১৩

অথবা

(খ) 'এটা চোলাৰ কাহিনী' নাটকত প্ৰকাশ পোৱা প্ৰতীক আৰু চিত্ৰকল্প সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ১৩

৭। চমু টোকা লিখাঁ (যি কোনো এটা) : ৬

(ক) অংকীয়া নাটৰ শ্লোক

(খ) নাট্যকাৰ জ্যোতিপ্ৰসাদ

(গ) 'দৰ্জি' চৰিত্ৰ

★★★

**5 SEM TDC ASM M 3**

**2 0 1 8**

( November )

ASSAMESE

( Major )

Course : 503

**( সংস্কৃতি অধ্যয়ন )**

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) সংস্কৃতিৰ উপযুক্ত সংজ্ঞা দাঙি ধৰি ইয়াৰ স্বৰূপ নিৰ্ণয় কৰাঁ। ৫+১০=১৫

*অথবা*

(খ) সংস্কৃতিৰ শ্ৰেণীবিভাজন দেখুৱাই ইয়াৰ অন্তৰ্নিহিত ভাগসমূহৰ বিষয়ে চমু আলোচনা আগবঢ়োৱাঁ। ৫+১০=১৫

২। (ক) অসমীয়া সংস্কৃতিৰ সমন্বয় সাধনত মংগোলীয় সংস্কৃতিয়ে কেনেদৰে সমল যোগাইছে, আলোচনা কৰা। ১৪

*অথবা*

(খ) অসমীয়া জাতি গঠনত প্ৰজাতীয় উপাদান—এই সম্পৰ্কে এটি টোকা যুগুত কৰা।

৩। (ক) লোকাচাৰ কাক বোলে? অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত বিবাহকেন্দ্ৰিক লোকাচাৰসমূহৰ এটি আভাস দিয়াঁ। ৩+১২=১৫

*অথবা*

(খ) অসমীয়া জনসমাজত প্ৰচলিত কৃষি-সম্পৰ্কীয় লোকবিশ্বাস সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা। ১৫

৪। (ক) লোক পৰিৱেশ্য কলাৰ পৰিচয় দাঙি ধৰি অসমত প্ৰচলিত দুবিধ লোক পৰিৱেশ্য কলাৰ বিষয়ে চমুকৈ আলোচনা কৰা। ২+৬+৬=১৪

*অথবা*

(খ) চমু টোকা লিখাঁ (যি কোনো দুটা) : ৭×২=১৪

পুতলা নাচ, কৰম পূজা, আলি-আয়ে-লৃগাং, বাৰে চহৰীয়া ভাওনা।

৫। (ক) আহোম যুগৰ সাজপাৰ আৰু অয়-অলংকাৰবোৰৰ বিষয়ে এটি টোকা যুগুত কৰা। ৭+৭=১৪

*অথবা*

(খ) মধ্যযুগৰ অসমত চিত্ৰকলাৰ কিদৰে বিকাশ সাধন হৈছিল, আলোচনা কৰা। ১৪

৬। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) বিষ্ণুপ্ৰসাদ ৰাভাই লিখা সংস্কৃতি-বিষয়ক এখন গ্ৰন্থৰ নাম লিখাঁ।

(খ) 'সেন্দূৰ' শব্দটি কোন জনগোষ্ঠীৰ পৰা আহিছে?

(গ) যুগল দাসে লিখা 'গহনা-গাথৰি' গ্ৰন্থখনৰ প্ৰকাশক কোন?

(ঘ) কোন জনগোষ্ঠীৰ মহিলাই মূৰত 'গাতিকি' মাৰে?

(ঙ) 'হৰলাং' কোন জনগোষ্ঠীৰ থলুৱা পানীয়?

(চ) 'দৈয়ন দিয়া' পৰ্বটো কি উৎসৱৰ লগত জড়িত?

(ছ) 'নাচনী-জৰী' শব্দটি কিহৰ সৈতে সম্পৰ্কিত?

(জ) 'সাতসৰী' অসমীয়া মহিলাই কোন অংগত পৰিধান কৰে?

★★★

Total No. of Printed Pages—3

**5 SEM TDC ASM M 4**

**2018**

( November )

ASSAMESE

( Major )

Course : 504

**( তুলনামূলক ভাৰতীয় সাহিত্য )**

*Full Marks* : 80

*Pass Marks* : 32 / 24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) ভিন্ ভিন্ আলোচকে আগবঢ়োৱা সংজ্ঞাৰ আধাৰত তুলনামূলক সাহিত্যৰ এটি সংজ্ঞা দাঙি ধৰাঁ। লগতে তুলনামূলক সাহিত্যৰ এটি সংক্ষিপ্ত পৰিচয় আগবঢ়োৱাঁ। ৬+৮=১৪

*অথবা*

(খ) 'তুলনামূলক সাহিত্যৰ স্বৰূপ আৰু প্ৰয়োজনীয়তা' শীৰ্ষক এটি টোকা প্ৰস্তুত কৰাঁ। ৭+৭=১৪

২। তলৰ যি কোনো দুটাৰ বিষয়ে লিখাঁ : ৭+৭=১৪

(ক) প্ৰকাৰ তত্ত্ব

(খ) সাহিত্যিক স্বৱৰ্তন

(গ) সংগ্ৰহণ তত্ত্ব

৩। (ক) ভাৰতীয় সাহিত্যৰ ধাৰণা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰাঁ। ১৪

*অথবা*

(খ) তুলনামূলক ভাৰতীয় সাহিত্যৰ উৎপত্তি আৰু প্ৰাসঙ্গিকতা সম্পৰ্কে আলোচনা কৰাঁ। ১৪

৪। চমু টোকা লিখাঁ (যি কোনো এটা) : ৬

(ক) অসমত তুলনামূলক সাহিত্য

(খ) ভাৰতীয় সাহিত্যৰ বহুভাষিক অৱস্থা

(গ) ভাৰতীয় সাহিত্যৰ স্বৰূপ

৫। (ক) ধ্ৰীৰুবহন পটেলৰ 'মা' আৰু মন্নু ভণ্ডাৰীৰ 'আই গোসাঁনী থান' গল্পৰ মাজেৰে প্ৰকাশ পোৱা মা চৰিত্ৰৰ ভিন্ন ৰূপৰ বিষয়ে আলোচনা কৰাঁ। ১৪

*অথবা*

(খ) ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'বাঁশি' আৰু বেজবৰুৱাৰ 'বাঁহী' কবিতাত প্ৰকাশিত অন্তৰ্জগতৰ উপলব্ধি আৰু প্ৰকৃতিপ্ৰেমৰ বিষয়ে আলোচনা কৰাঁ। ১০+৪=১৪

৬। (ক) 'তুলনামূলক সাহিত্য আৰু অনুবাদ' শীৰ্ষক এটি প্ৰবন্ধ লিখাঁ। ১০

*অথবা*

(খ) 'অনুবাদ এক পুনঃসৃজন' কথাষাৰ তুলনামূলক সাহিত্যৰ দৃষ্টিৰে বিচাৰ কৰাঁ।

৭। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) মেথিউ আৰ্নল্ডে 'comparative literature' শব্দটো প্ৰথম কেতিয়া ব্যৱহাৰ কৰিছিল?

(খ) 'বিধু' শব্দৰ অৰ্থ কি?

(গ) তুলনামূলক সাহিত্যত ব্যৱহৃত 'theme' শব্দৰ অসমীয়া প্ৰতিশব্দ কি?

(ঘ) পছনেটে লিখা তুলনামূলক সাহিত্যৰ গ্ৰন্থখনৰ নাম লিখাঁ।

(ঙ) অসমৰ কোনখন বিশ্ববিদ্যালয়ত তুলনামূলক ভাৰতীয় সাহিত্যৰ পাঠ্যক্ৰম প্ৰথম আৰম্ভ হৈছিল?

(চ) ৰবীন্দ্ৰনাথ ঠাকুৰে তুলনামূলক সাহিত্যক কি বুলি অভিহিত কৰিছিল?

(ছ) 'তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ' গ্ৰন্থখনৰ লেখকৰ নাম লিখাঁ।

(জ) "যদিও বিভিন্ন ভাৰত সন্তানে বিভিন্ন ভাষাত কথা কয়, তথাপি ভাৰতবৰ্ষ একক আৰু অবিভাজ্য।" কোনে কৈছিল?

★★★